**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-11-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে গুজৰাটৰ ৱাডটলত শ্ৰীস্বামীনাৰায়ণ মন্দিৰৰ ২০০ বছৰীয়া জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিব।

২। ৰাষ্ট্ৰসংঘৰ ২৯ সংখ্যক বাৰ্ষিক জলবায়ু পৰিৱৰ্তন সন্মিলন চি অ' পি ২৯ আজি আজাৰবাইজানৰ বাকুত আৰম্ভ হ'ব।

৩। ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত ল'ব।

৪। অসমত উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। **আৰু**

৫। বিহাৰৰ ৰাজগিৰিত আজিৰে পৰা ২০২৪ বৰ্ষৰ মহিলাৰ এছিয়ান হকী চেম্পিয়নছ্ ট্ৰফী আৰম্ভ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে গুজৰাটৰ ৱাডটলত শ্ৰীস্বামীনাৰায়ণ মন্দিৰৰ ২০০ বছৰীয়া জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিব। তেওঁ এই উপলক্ষে সমবেত লোকসকলক উদ্দেশ্যি ভাষণো দিব। উল্লেখযোগ্য যে ৱাডটলৰ শ্ৰীস্বামীনাৰায়ণ মন্দিৰে কেইবা দশক ধৰি জনসাধাৰণৰ সামাজিক তথা আধ্যাত্মিক জীৱনক প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

০০০০০

ৰাষ্ট্ৰসংঘৰ ২৯ সংখ্যক বাৰ্ষিক জলবায়ু পৰিৱৰ্তন সন্মিলন চি অ' পি ২৯ আজি আজাৰবাইজানৰ বাকুত আৰম্ভ হ'ব। বিত্তীয় চি অ' পি হিচাপে খ্যাত ১৪ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই সন্মিলনৰ জৰিয়তে পৰৱৰ্তিত জলবায়ুৰ প্ৰভাৱে ক্ষতিগ্ৰস্ত কৰা দেশসমূহৰ বাবে নতুন জলবায়ু বিত্তৰ লক্ষ্যত উপনীত হোৱাৰ হকে বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই কাৰ্যসূচীত ভাৰতকে ধৰি প্ৰায় ২০০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি উন্নয়নশীল দেশসমূহৰ বাবে সমৰ্থন সৃষ্টি, জলবায়ুৰ স্থায়িত্ব শক্তিশালী কৰা, গোলকীয় উষ্ণতা বৃদ্ধি হ্ৰাস কৰাকে ধৰি পেৰিছ চুক্তিৰ লক্ষ্য ত্বৰান্বিত কৰাৰ হকে আলোচনা কৰিব। জলবায়ু পৰিৱৰ্তন নিয়ন্ত্ৰণ কৰাৰ বাবে, বিশেষকৈ উন্নয়নশীল দেশসমূহত প্ৰয়োজনীয় বিত্তৰ পৰিমাণ যথেষ্ট নোহোৱাৰ পৰিপ্ৰেক্ষিতত চি অ' পি ২৯ত লোৱা এটা শক্তিশালী বিত্তীয় সিদ্ধান্তই নতুন কাম-কাজৰ সূচনা কৰিব পাৰে। ভাৰতকে ধৰি গ্লোবেল ছাউথৰ দেশসমূহৰ বাবে প্ৰযুক্তি, শক্তি-সম্পদ তথা বিত্তীয় উপলব্ধতা, জলবায়ু পৰিৱৰ্তনৰ জৰিয়তে প্ৰভাৱিত সম্প্ৰদায়ৰসমূহৰ সুৰক্ষা তথা জলবায়ু সম্পৰ্কীয় লক্ষ্যসমূহত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে। জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধ কৰাৰ বাবে প্ৰয়োজন হোৱা পুঁজিৰ যোগানৰ বাবে গোলকীয় জলবায়ু বিত্ত ৰূপৰেখা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। শ্ৰী খান্নাই ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হ'ব। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দায়িত্ব প্ৰদান কৰা হৈছিল। ২০১৯ চনত ন্যায়াধীশ খান্নাই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰাৰ ক্ষেত্ৰত ন্যায়াধীশ সঞ্জীৱ খান্নাই ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০

পশ্চিমবংগৰ কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত এগৰাকী কনিষ্ঠ মহিলা চিকিৎসকৰ পাশৱিক ধৰ্ষণ আৰু হত্যাৰ গোচৰ আজি এখন বিশেষ আদালতত আৰম্ভ হ'ব। ফাষ্টট্ৰেক আদালতত দৈনিক এই বিচাৰ প্ৰক্ৰিয়াৰ অগ্ৰগতি হ'ব। উল্লেখযোগ্য যে যোৱা ৯ আগষ্টৰ পুৱা চিকিৎসালয়খনত চিকিৎসকগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ৯৪ দিনৰ পাছত এই বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বিচাৰ আৰম্ভ হোৱাৰ ৩৫ দিনৰ পূৰ্বে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আইয়ে প্ৰথমখন অভিযোগনামা দাখিল কৰে। এই অভিযোগনামাত সঞ্জয় ৰয়ক হত্যা আৰু ধৰ্ষণৰ অভিযুক্ত হিচাপে চিনাক্ত কৰা হৈছে।

০০০০০

ৰাছিয়াৰ প্ৰথম উপ-প্ৰধানমন্ত্ৰী ডেনিছ মণ্টুৰ'ৰ ভাৰত ভ্ৰমণ কৰাৰ উদ্দেশ্যে কালি মুম্বাইত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ভাৰত-ৰাছিয়া সন্মিলনত আজি ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনাত মিলিত হ'বলৈ তেওঁ আগ্ৰহেৰে ৰৈ থকা বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দেশ দুখনৰ মাজত অৰ্থনৈতিক মিত্ৰতা ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত এই সন্মিলনৰ জৰিয়তে বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

অসমত উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনত ৫ খন বিধানসভা আসনৰ বাবে ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এন ডি এ, কংগ্ৰেছ আৰু বিপিএফৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত ভোটদাতাক আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী আৰু চিদলী আসনখনৰ বাবে ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। এন ডি এ মিত্ৰজোঁটৰ ভিতৰত বিজেপিয়ে ৩ খন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু ইউ পি পি এলে আন দুখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

০০০০০

ঝাৰখণ্ডত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰিব। পৰহিলৈ ৰাজ্যখনৰ ৪৩টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে এন ডি এ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে দলীয় প্ৰাৰ্থীৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ চাৰে ১২ বজাত **মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীত, ঝাৰখণ্ডৰ দলীয় কাৰ্যকৰ্তাসকলক ভিডিঅ' কনফাৰেন্সিংযোগে সম্বোধন কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেনৰ সমৰ্থনত চৰাইকেলা বিধানসভা সমষ্টিৰ অন্তৰ্গত আদিত্যপুৰৰ এখন সভাত ভাগত ল'ব। আনহাতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি পান্‌কী আৰু চত্তৰপুৰ বিধানসভা সমষ্টিত দুখন নিৰ্বাচনী সভাত ভাগ ল'ব। জে এম এমৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে হুছেইনাবাদ, চৰাইকেলা, ইচ্ছাগড় আৰু চিল্লী বিধানসভা সমষ্টিত নিৰ্বাচনী সভাক সম্বোধন কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ভৱন-নাথপুৰ, পালামু, হুছেইনাবাদা, দালটংগঞ্জ আৰু পান্‌কীত কেইবাখনো সভাত ভাগ ল'ব। তাৰকা প্ৰচাৰক অভিনেতা মিথুন চক্ৰৱৰ্তীয়ে বিজেপি প্ৰাৰ্থী বাবুলাল চোৰেনৰ হৈ ঘাটশিলা বিধানসভা সমষ্টিৰ মাও ভাণ্ডাৰ অঞ্চলৰ চাৰ্কাছ্‌ ময়দানত হ'বলগীয়া এখন সভাত অংশগ্ৰহণ কৰিব। আৰ জে ডি, এ জে এছ্‌ ইউ আৰু আন ৰাজনৈতিক দলসমূহেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অঞ্চলত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিব।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **বায়ু প্ৰদূষণ, প্ৰভাৱ তথা প্ৰতিৰোধ** এই সন্দৰ্ভত ছফডৰজং চিকিৎসালয়ৰ শ্বাস-প্ৰশ্বাসজনিত ঔষধ বিভাগৰ অধ্যাপক নীৰজ গুপ্তা আৰু জ্যেষ্ঠ পৰিৱেশবিদ মুকুল ছানৱালৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১-২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক বায়ু প্ৰদূষণ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

বিহাৰৰ ৰাজগিৰিত আজিৰে পৰা ২০২৪ বৰ্ষৰ মহিলাৰ এছিয়ান হকী চেম্পিয়নছ্‌ ট্ৰফী আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ১০ দিনীয়া এই প্ৰতিযোগিতা মুকলি কৰিব। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত বিহাৰ ক্ৰীড়া প্ৰাধিকৰণৰ সঞ্চালকপ্ৰধান ৰবীনন্দ্ৰন শংকৰণে কয় যে, বিহাৰত এইবাৰ প্ৰথমবাৰৰ বাবে এনেধৰণৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰখনে বিহাৰক দেশৰ পূব অংশৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। এই প্ৰতিযোগিতাত ভাৰতৰ বাহিৰেও চীন, জাপান, মালয়েছিয়া, কোৰিয়া আৰু থাইলেণ্ডৰ হকী দলে ভাগ লৈছে। অহা ২০ নৱেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

ooooo

দক্ষিণ আফ্ৰিকাৰ এবেখাত কালি অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাস্ত কৰে। শৃংখলাটোত দুয়োটা দলে ১-১ ফলাফলত সমতা স্থাপন কৰিছে। কালিৰ খেলখনত দক্ষিণ আফ্ৰিকাই ভাৰতে বান্ধি দিয়া ১২৫ ৰানৰ লক্ষ্যৰ প্ৰত্যুত্তৰত ১৯ অভাৰত ৭ টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

সমাপ্ত